**3 (Sem–3/CBCS) ASM–CC**

# 2021

( Held in 2022 )

ASSAMESE

( Modern Indian Language )

Paper : ASM–CC–3016

**( Prachin Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীতটো কি?

(খ) 'অ' কি বেফুলা জাগ অ'' গীতটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে?

(গ) হৰিবৰ বিপ্ৰই কোন ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চা কৰিছিল?

(ঘ) 'কুমৰ হৰণ' কাব্যৰ অংগীৰস কি?

(ঙ) অনন্ত কন্দলীৰ পিতৃদত্ত নাম কি আছিল?

(চ) মহাপুৰুষ মাধৱদেৱে ৰচনা কৰা ভটিমাবিধৰ নাম লিখা।

(ছ) "আহে বাপু, তোহাৰি অৰুণ অধৰক বালাই লঞো" ইয়াত উল্লেখিত 'অধৰ' শব্দৰ অৰ্থ লিখা।

(জ) কাৰ আজ্ঞা অনুসৰি বৈকুণ্ঠনাথ ভট্টাচাৰ্যই গদ্য ৰচনা কৰিছিল?

(ঝ) ৰঘুনাথ মহন্ত কোন যুগৰ সাহিত্যিক?

(ঞ) 'ৰামৰ বন-গমন' পাঠ্যাংশ 'ৰামায়ণ'ৰ কোনটো কাণ্ডৰ অন্তৰ্গত?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ''জগজন জীৱন অজন জনাৰ্দ্দন
দনুজ দমন দুখহাৰী।''

ইয়াত থকা 'জনাৰ্দ্দন' আৰু 'দনুজ' শব্দ দুটিৰ অৰ্থ লিখা।

(খ) 'বভ্ৰুবাহনৰ যুদ্ধ' নামৰ কাব্যখনত উল্লেখ থকা 'অশ্বমেধ যজ্ঞ' কোনে, কি উদ্দেশ্যে আয়োজন কৰিছিল?

(গ) 'অৰ্জ্জুন ভঞ্জন' নাটত উল্লেখিত কুবেৰৰ পুত্ৰদ্বয়ৰ নাম লিখা।

(ঘ) 'স্থিতপ্ৰজ্ঞ'ৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(ঙ) 'পাঁচালী' কবি দুগৰাকীৰ নাম লিখা।

৩। তলৰ প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ''বিষাদ ভাবিয়া লখাই কৰিছে ক্ৰন্দন।
কাল নিদ্ৰা লাগি বেউলাৰ নাহিকে চেতন॥''

প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) ''দাসি বধু ঝিৱ সখি সৰণিয়া নাৰি।
ৰাজভাৰ্জ্যা গুৰু পত্নি চাণ্ডালি কুমাৰি॥
আসন্নাক ৰমিলে মাতৃ গমনৰ পাপ।
হেন জানি মোক ক্ষমা কৰিয়োক বাপ॥''

প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।





(গ) 'অৰ্জ্জুন ভঞ্জন' নাটত অসমীয়া গ্ৰাম্য জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঘ) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(ঙ) 'কথাগীতা'ৰ সাংখ্য যোগৰ কথাখিনি তোমাৰ ভাষাত চমুকৈ লিখা।

(চ) ৰঘুনাথ মহন্তৰ 'ৰামৰ বন-গমন' পাঠৰ আধাৰত কৈকেয়ীৰ চৰিত্ৰ বিশ্লেষণ কৰা।

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১০×৪=৪০

৪। (ক) বৰগীত বুলিলে কি বুজা? বৰগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*অথবা*

(খ) পাঁচালী কবি কেইগৰাকীৰ একোটিকৈ চমু পৰিচয়মূলক আলোচনা দাঙি ধৰা।

৫। (ক) যুদ্ধ কাব্য হিচাপে হৰিবৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যখনিৰ এটি আলোচনা আগবঢ়োৱা।

*অথবা*

(খ) 'কুমৰ হৰণ' কাব্যত প্ৰতিফলিত সমাজ-জীৱনৰ চিত্ৰৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

৬। (ক) 'অৰ্জ্জুন ভঞ্জন' নাটৰ কাহিনী চমুকৈ লিখি তাৰ মাজত ভগৱান শ্ৰীকৃষ্ণৰ দ্বৈতৰূপ কিদৰে উদ্ভাসিত হৈছে, আলোচনা কৰা।

*অথবা*

(খ) শংকৰদেৱ আৰু মাধৱদেৱৰ নাটকৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

৭। (ক) 'কথাগীতা'ৰ আধাৰত ভট্টদেৱৰ গদ্যৰ এটি বৈশিষ্ট্যমূলক আলোচনা দাঙি ধৰা।

*অথবা*

(খ) 'ৰামৰ বন-গমন' পাঠৰ কাহিনীভাগ তোমাৰ নিজৰ ভাষাত লিখি ৰামৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

★★★